# Azathioprine
# এজাথিয়প্ৰিন

IRA Committee on patient Education
ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি


*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্রুগড়


Azathioprine হ'ল এটি ঔষধ যাক আৰম্ভণিতে transplant কৰোৱা ৰোগীৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল। কিন্তু যোৱা ২০-২৫ বছৰ জুৰি ইয়াক আৰু বহুত গাঁঠি, ছাল আৰু বৃক্কৰ ৰোগতো ব্যৱহাৰ কৰা হৈছে।

**ইয়াক কিদৰে সেৱন কৰে?**

ইয়াক মুখেৰে ২-৪ মিঃগ্ৰাঃ/কেজি/দিন দিয়া হয়। প্ৰাপ্তবয়স্ক অৱস্থাত সাধাৰণতে আমি দৈনিক ৫০ মিঃগ্ৰাঃকৈ আৰম্ভ কৰো আৰু ক্ৰমে ইয়াৰ মাত্ৰা বঢ়োৱা হয়।

**ই কিমান কাৰ্যকৰী**

SLE ৰোগত ইয়াৰ ভাল প্ৰভাৱ পোৱা গৈছে আৰু ইয়াক lupus nephritisত ব্যৱহাৰ কৰা হয়। lupus nephritisত ৰোগৰ প্ৰাবল্যতাৰ মাত্ৰা কমাবৰ বাবে আৰু ছালত হোৱা প্ৰভাৱতো এই ঔষধে ভাল গুণ দিয়ে। চিকিৎসা কৰিবলৈ কঠিন বাত-বিষ ৰোগত ই গাঁঠিৰ বিষ আৰু গাঁঠি ফুলা কমোৱাত প্ৰায় ৫০ শতাংশ ৰোগীৰ ক্ষেত্ৰত সুফল দিয়া দেখা গৈছে। ইয়াৰ প্ৰভাৱ ১২ সপ্তাহৰ পাছৰ পৰা আৰম্ভ হয় আৰু আটাইতকৈ বেছি সুফল দেখা পোৱা যায় ৩-৪ মাহত।

**ইয়াৰ পাৰ্শ্বক্ৰিয়া কি?**

সবাতোকৈ বেছিকৈ দেখা পোৱা প্ৰাৰম্ভিক পাৰ্শ্বক্ৰিয়া হৈছে বমি ভাৱ অহা আৰু ভোক কমি যোৱা। কিছু সপ্তাহ ঔষধ সেৱন কৰাৰ পাচত এইবিলাক ভাল হয়। ই ৰক্তহীনতাৰ সৃষ্টি আৰু যকৃতৰ ওপৰত কু-প্ৰভাৱ পেলাব পাৰে। সেয়ে, আপুনি নিজৰ তেজ আৰু যকৃতৰ পৰীক্ষা নিয়মীয়াকৈ কৰি থাকিব লাগে। প্ৰাৰম্ভিক পৰ্যায়ত যেতিয়া ঔষধৰ মাত্ৰা বৃদ্ধি কৰা হয় আৰু যেতিয়ালৈকে এটা স্থিৰ অৱস্থা পোৱা নাযায়, সেই কালছোৱাত তেজৰ পৰীক্ষা প্ৰতি দুই সপ্তাহে কৰিব লগা হ'ব পাৰে। Azathioprineক এল'পুৰিণল(Allopurinol)ৰ সৈতে ব্যৱহাৰ কৰিব নালাগে।

হিমগ্ল'বিন সাত গ্ৰামকৈ কম হ'ব নালাগে।

সম্পূৰ্ণ লিউকচাইট গণনা (TLC) ৪,০০০/cummতকৈ কম হ'ব নালাগে।

প্লেটিলেট কাউণ্ট ১,০০০০০/cummতকৈ কম হ'ব নালাগে।

এচ জি অ টি (SGOT) ৮০আই ইউতকৈ অধিক হ'ব নালাগে।

এচ জি পি টি (SGPT) ৮০আই ইউতকৈ অধিক হ'ব নালাগে।

ক্ৰিয়েটিনাইন ২ মিলিগ্ৰাম/ডেচিলিটাৰতকৈ অধিক হ'ব নালাগে।

যদি ইয়াৰে ভিতৰত কোনো সাল-সালনি দেখা যায়। ঔষধ বন্ধ কৰি চিকিৎসকক জনাওঁক।

**গৰ্ভাৱস্থা**

গৰ্ভাৱস্থাত Azathioprineক বিশেষ কু-প্ৰভাৱ নপৰাকৈ ব্যৱহাৰ কৰা হৈছে। কিন্তু গৰ্ভাৱস্থাত ঔষধৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে চিকিৎসকৰ সৈতে আলোচনা কৰিব।

**অস্বীকাৰকৰণ (Disclaimer)** ঃ উপৰোক্ত কথাখিনি চিকিৎসাবিধিৰ প্ৰতিষ্ঠাপন (substitution) নহয়। ই কেৱল কিছুসংখ্যক বিশেষজ্ঞৰ সামূহিক দৃষ্টিভংগীহে দাঙি ধৰিছে। ই ভাৰতীয় ৰিউমেটল'জী সন্থাৰ নিৰ্ধাৰিত নীতি নহয়।